BNC/100

# Pre-Test Examination–2021

## H. S. 2nd Year

## Subject - Adv. Assamese

**Time - 3 hrs** **Marks - 100**

১। অতি চমু প্ৰশ্নৰ উত্তৰ লিখা ঃ- ১×১২=১২

ক) 'বৰ্ষা বৰ্ণন' কবিতাটি ক'ৰ পৰা উদ্ধৃত?

খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাপুথি এখনৰ নাম লিখা।

গ) কোনখন পুথিৰ বাবে অম্বিকাগিৰি ৰায়চৌধুৰীদেৱে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

ঘ) কুচ্চুৰ্ট শব্দৰ অৰ্থ লিখা।

ঙ) কিমান চনত জ্যোতিপ্ৰসাদ আগৰৱালাই ইহলীলা সম্বৰণ কৰে?

চ) 'আবেগ' কবিতাপুথিখন কোনে ৰচনা কৰিছিল?

ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম লিখা।

জ) লক্ষ্মীধৰ শৰ্মাৰ জন্ম কিমান চনত হৈছিল?

ঝ) 'মিৰিজীয়ৰী' উপন্যাসখন কিমান চনত ৰচিত হৈছিল?

ঞ) লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা আলোচনীখনৰ নাম লিখা।

ট) 'অসম স্কট' বুলি কাক কোৱা হয়?

ঠ) যোগেশ দাসৰ ৰচিত এখন উপন্যাসৰ নাম লিখা।

২। চমু প্ৰশ্নৰ উত্তৰ লিখা ঃ- ২×১৬=৩২

ক) হোমেন বৰগোহাঞিদেৱে কিমান চনত কোনখন উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

খ) হলিৰাম ঢেকিয়াল ফুকনৰ পিতৃ আৰু মাতৃৰ নাম লিখা।

গ) কল্পতৰু বুলিলে কি বুজা?

ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত দুখন ধেমেলীয়া নাটকৰ নাম লিখা।

ঙ) ডিম্বেশ্বৰ নেওগৰ কিমান চনত আৰু ক'ত জন্ম হৈছিল?

চ) অম্বিকাগিৰী ৰায়চৌধুৰীদেৱে ৰচনা কৰা দুখন কবিতা পুথিৰ নাম লিখা।

ছ) লক্ষ্মীনাথ বেজবৰুৱাই 'প্ৰতিমা' খনৰ ওপৰত দিয়া মন্তব্যটি লিখা।

জ) শংকৰদেৱ ৰচিত দুখন কাব্য পুথিৰ নাম লিখা।

ঝ) জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা দুখন কথাছবিৰ নাম লিখা।

ঞ) শঙ্কৰদেৱ ৰচিত প্ৰথম আৰু শেষৰ নাটক দুখনৰ নাম লিখা।

ট) ৰামায়ণখন কেইটা কাণ্ডত বিভক্ত আৰু কি কি?

ঠ) লক্ষ্মীধৰ শৰ্মাৰ দ্বাৰা ৰচিত দুখন গল্প পুথিৰ নাম লিখা।

ড) ৰজনীকান্ত বৰদলৈৰ দুখন উপন্যাসৰ নাম লিখা।

ঢ) যোগেশ দাসে সম্পাদনা কৰা দুখন আলোচনীৰ নাম লিখা।

ণ) হোমেন বৰগোহাঞিৰ দুখন আত্মজীৱনীমূলক গ্ৰন্থৰ নাম লিখা।

ত) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

৩। ব্যাখ্যা কৰা ঃ- ৪×৫=২০

ক) "যদ্যপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্ব্বতে পীড়া কিছো নজানিল।।
যিজনৰ মন ভৈল কৃষ্ণত প্ৰৱেশ।
তাক যেন লঙ্ঘিবে নপাৰে দুখক্লেশ।"

খ) "বিশ্বৰ সৌন্দৰ্য্য খনি! জন্মভূমি তই মাথো
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া ;

গ) "মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।"

ঘ) "ই যে মাতৃ আদেশ, সন্তান প্ৰাণ দিবলকে বলিদান"।

ঙ) "অতীতৰো অতীতৰ
যি মহা অতীতে
বৰ্তমান ভেদি
ভৱিষ্যতলৈ যায়,"

৪। তলৰ প্ৰশ্নৰ উত্তৰ লিখা ঃ- ৪×৪=১৬

ক) চৌষষ্ঠি কলা বুলিলে কি বুজা?

খ) মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্য কৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

গ) বাপধনক কেন্দ্ৰ কৰি বাপেক-পুতেকৰ মাজত কেনেধৰণৰ কাজিয়াৰ সূত্ৰপাত হৈছিল লিখা।

ঘ) 'অন্বেষণ' কবিতাটিত কবিৰ বিৰহৰ কাৰণ কেনেদৰে প্ৰকাশ পাইছে লিখা।

৫। বৰ্ষা বৰ্ণন কবিতাটিৰ মাজেৰে বৰ্ষা কালৰ বৰ্ণনা কেনে ধৰণেৰে প্ৰকাশ পাইছিল? ৫

অথবা

'বুৰঞ্জীৰ দৌৰাত্ম্য' গদ্যটিৰ মূল কথাখিনি তোমাৰ ভাষাত লিখি বেজবৰুৱাৰ ব্যংগাত্মক ভাবধাৰা কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

৬। 'মানৱ বন্দনা' কবিতাটিৰ মূলভাৱ লিখা। ৫

অথবা

'অন্বেষণ' কবিতাটিৰ মূলভাৱ লিখা।

৭। উপন্যাস আৰু চুটিগল্পৰ সাদৃশ্য আৰু পাৰ্থক্য সম্পৰ্কে আলোচনা কৰা। ৫

অথবা

চুটিগল্প বুলিলে কি বুজা? চুটিগল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৮। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- ৫×১=৫

ক) অলংকাৰ কাক বোলে? ই কেই প্ৰকাৰৰ কি কি? উদাহৰণসহ আলোচনা কৰা।

খ) শব্দালংকাৰ বুলিলে কি বুজা? ই কেই প্ৰকাৰৰ কি কি? প্ৰতি বিধৰে আলোচনা সহ বুজাই লিখা।

##########